## Sixth Round Table of ASEAN-India Network of Think Tanks

August 21, 2020

## থিংক টেংক এছিয়ান-ইণ্ডিয়ান নেটৱৰ্কৰ ষষ্ঠ ঘূৰণীয়া মেজমেল

আগষ্ট 21, 2020

১. ভাৰতৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে থাইলেণ্ডৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ সহযোগত ঠিংক টেংক এছিয়ান-ইণ্ডিয়ান নেটৱৰ্কৰ ষষ্ঠ ঘূৰণীয়া মেজমেল ভিডিঅ কনফাৰেন্সৰ যোগেৰে ২০-২১ আগষ্ট তাৰিখে অনুষ্ঠিত হয়। উন্নয়নশীল দেশসমূহৰ গৱেষণা আৰু তথ্য ব্যৱস্থাত থকা এছিয়ান-ইণ্ডিয়ান চেন্টাৰ (AIC) আৰু বেংককৰ চুলালঙকৰ্ণ বিশ্ববিদ্যালয়ত থকা এছিয়ান-ইণ্ডিয়ান চেন্টাৰ (AIC) এই ঘূৰণীয়া মেজমেলখনিৰ যুটীয়া আয়োজক আছিল। এই ঘূৰণীয়া মেজমেলখনিৰ বিষয়বস্তু আছিল 'এছিয়ান-ইণ্ডিয়া: ক'ভিড কালৰ পৰৱৰ্তী সময়ত বন্ধুত্বৰ শক্তিশালীকৰণ।'

২. এই ঘূৰণীয়া মেজমেলখনি ভাৰতৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এচ. জয়শংকৰ আৰু থাইলেণ্ডৰ উপ-প্ৰধানমন্ত্ৰী আৰু বৈদেশিক মন্ত্ৰী শ্ৰী ডন প্ৰমুদৱিনাইয়ে যুটীয়াভাৱে ২০ আগষ্ট, ২০২০ তাৰিখে উদ্বোধন কৰে। এছিয়ান মহাসচিব শ্ৰী লিম জক হয় ও এই উদ্বোধনী অনুষ্ঠানত বক্তৃতা প্ৰদান কৰে। জ্যেষ্ঠ বিষয়াসকলৰ বৈঠক/সকলো ১০ এছিয়ান সদস্য দেশৰ পৰা অহা প্ৰতিনিধিসকল এই বৈঠকত উপস্থিত আছিল।

৩. এই ঘূৰণীয়া মেজমেলখনিত দুদিনত পাঁচটি বিষয়ৰ ওপৰত আলোচনা কৰা হয় আৰু এইবোৰ হৈছে ক'ভিড কালৰ পৰৱৰ্তী সময়ত পৰিৱৰ্তিত বিশ্ব ক্ৰম আৰু এছিয়ান-ইণ্ডিয়া সম্পৰ্ক; উদীয়মান মূল্য শৃংখল: ক'ভিড কালৰ পৰৱৰ্তী সময়ত এছিয়ান দেশসমূহ আৰু ভাৰতৰ সুযোগসমূহ; নতুন স্বাভাৱিকতা আৰু এছিয়ান-ইণ্ডিয়া সম্পৰ্কত চতুৰ্থ শিল্প বিপ্লৱৰ গুৰুত্ব আৰু ভৱিষ্যতৰ সহযোগিতাসমূহ; ইণ্ডো-পেচিফিকৰ ক্ষেত্ৰত এছিয়ানৰ দৃষ্টিভংগী আৰু ইণ্ডো-পেচিফিক মহাসাগৰীয় উদ্যোগ: পৰিপূৰক আৰু সহযোগিতা; আৰু আগলৈ। প্ৰতিটো বৈঠকতে ভাৰত আৰু এছিয়ান দেশসমূহৰ নামজ্বলা থিংক-টেংক, বিশ্ববিদ্যালয়, প্ৰতিষ্ঠান আদিৰ ৪-৫ গৰাকী পেনেলিষ্টৰ দ্বাৰা গৱেষণা পত্ৰ প্ৰদৰ্শনৰ পিছত প্ৰশ্নোত্তৰ আদি অনুষ্ঠিত হয়।

৪. ৪০০ৰো অধিক শিক্ষাবিদ, উদ্যোগ, চৰকাৰ আৰু কূটনৈতিক সম্প্ৰদায় আদিয়ে এই ঘূৰণীয়া মেজমেলত অংশগ্ৰহণ কৰে।

৫. ভৱিষ্যতৰ সহযোগিতাৰ দিশত চৰকাৰক নীতিগত নিৰ্দেশনা প্ৰদান কৰাৰ বাবে থিংক টেংক, নীতি প্ৰৱৰ্তক, বিদ্বান, সংবাদ মাধ্যম আৰু ব্যৱসায়িক প্ৰতিনিধি আদিৰ অন্তৰ্ভুক্তিৰে থাইলেণ্ডত ২০০৯ চনত সপ্তম এছিয়ান-ইণ্ডিয়া বৈঠকত এছিয়ান-ইণ্ডিয়া ঘূৰণীয়া মেজমেল স্থাপন কৰা হৈছিল। এই মঞ্চই এক

উষ্ণমানৰ গৱেষণা মঞ্চৰূপে সেৱা প্ৰদান কৰাৰ লগতে এছিয়ান-ইণ্ডিয়া কৌশলগত সম্পৰ্ক পৰৱৰ্তী সময়ত অধিক কটকটীয়া কৰাৰ অৰ্থে দীৰ্ঘম্যাদী দৃষ্টিকোণ প্ৰদান কৰে।

**নতুন দিল্লী**

**আগষ্ট 21, 2020**

DISCLAIMER: This is an approximate translation. The original is available in English on MEA’s website and may be referred to as the official press release.